*Total number of printed pages–3*

**14 (ASM-I) 1036**

# 2016

# ASSAMESE

Paper : 1036

***(Study and Culture in Assam)***

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। (ক) কৃষ্টি আৰু সংস্কৃতিৰ পাৰ্থক্য বিচাৰ কৰি অৰ্থ আৰু তাৎপৰ্য্যৰ ফালিৰ পৰা সংস্কৃতিৰ বিভিন্ন মাত্ৰা বা আয়তন (Dimension) সম্বন্ধে *এটি* আলোচনা আগবঢ়োৱা। ৫+১০=১৫

*অথবা*

(খ) "অসমীয়া সংস্কৃতিৰ সংযুতি আৰু সমৃদ্ধিত মুলতঃ অসমীয়া ভাষায়ে যোগসূত্ৰৰ ভূমিকা লৈছে যদিও কেবল অসমীয়া মাতৃভাষী সকলৰ সংস্কৃতিয়েই অসমীয়া সংস্কৃতি নহয়।" — কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰি *এটি* নিবন্ধ যুগুত কৰা। ১৫

*Contd.*

২। (ক) অসমৰ স্থাপত্য-ভাস্কৰ্য্য, শিলালিপি আৰু তাম্ৰলিপি সমূহে পুৰণি অসমৰ সংস্কৃতি অধ্যয়নৰ আহিলা হিচাপে কি কি দিশত কেনেদৰে সহায় কৰিব পাৰে বিচাৰ কৰি *এটি* আলোচনা আগবঢ়োৱা। ১৫

*অথবা*

(খ) পুৰণি অসমৰ ধৰ্মমতত শৈৱ আৰু শাক্ত পৰম্পৰাৰ স্থান কেনেকুৱা? এই ক্ষেত্ৰত বানীকান্ত কাকতিয়ে আগবঢ়োৱা বিশ্লেষণ ৰাজি বিচাৰ কৰি *এটি* নিবন্ধ যুগুত কৰা। ৫+১০=১৫

৩। (ক) "অসমৰ নৱবৈষ্ণৱ আন্দোলনে অসমীয়া সংস্কৃতিত পৰিশোধন, পৰিশীলন আৰু পৰিমাৰ্জনেৰে এক উত্তৰণৰ অধ্যায় সূচনা কৰে।" — যথাযথ উদাহৰণেৰে কথাষাৰ আলোচনা কৰা। ১৫

*অথবা*

(খ) "মহাভাৰতীয় সম্পৰ্ক স্থাপনেৰে অসমীয়া সংস্কৃতিৰ পৰিবৰ্দ্ধনত মধ্যযুগীয় অসমীয়া সাহিত্য-সঙ্গীত আৰু চিত্ৰকলাৰ এক বিশেষ ভূমিকা পৰিলক্ষিত হয়।" উদাহৰণেৰে সৈতে কথাষাৰ বহলাই আলোচনা কৰা। ৫+৫+৫=১৫



৪। (ক) ঊনবিংশ শতিকাৰ পৰা অসমীয়া সংস্কৃতিত সংঘটিত উত্থান-পতন আৰু পৰিবৰ্তনৰ দিশসমূহ আলোচনা কৰি *এটি* নিবন্ধ যুগুত কৰা। ১৫

*অথবা*

(খ) অসমীয়া সংস্কৃতি গঠনত আৰ্য্যীকৰণ (Sanskritization), গ্ৰহণ (acaulturation) আৰু সমাহৰণ (assimilation) প্ৰক্ৰিয়া কেনেদৰে সাধিত হৈছে বিচাৰ কৰা আৰু আধুনিক অসমীয়া সংস্কৃতিত সাংস্কৃতিক ৰূপান্তৰ (transculture) আৰু নি-আৰ্য্যীকৰণ (Desanskritization) ক'ত কেনেদৰে পৰিলক্ষিত হৈছে দেখুৱাবলৈ যত্ন কৰা। ১০+৫=১৫

৫। চমু টোকা লিখা ঃ ***(যিকোনো চাৰিটা)*** ৪×৫=২০

(ক) প্ৰাগজ্যোতিষ আৰু কামৰূপ নামৰ তাৎপৰ্য্য

(খ) ভাস্কৰ বৰ্মাৰ তাম্ৰলিপি আৰু মাটিৰ মোহৰ

(গ) দেবদাসী নৃত্য আৰু সত্ৰীয়া নাচ

(ঘ) কামাখ্যামন্দিৰ আৰু কৈৰাতজ ধৰ্ম

(ঙ) কলিতা জাতি আৰু কৈবৰ্ত সকল

(চ) ব'হাগবিহু আৰু বৈচাগু

(ছ) চৰ্য্যগীত আৰু জিকিৰ গীত।

*Total number of printed pages–3*

**14 (ASM-I) 1054**

# 2016

## ASSAMESE

Paper : 1054

***( Creative Writing )***

*Full Marks : 60*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। উত্তৰ দিয়া *(যি কোনো দুটা)* ঃ ২×১৬=৩২

(ক) সৃষ্টিশীল সাহিত্য বুলিলে কি বুজা ? সৃষ্টিশীল সাহিত্যৰ বিভিন্ন ভাগ (genre) দৰ্শাই এটা প্ৰবন্ধ লিখা।

(খ) সৃষ্টিশীল সাহিত্যত অনুকৰণ (Imitation) স্থান সন্দৰ্ভত আলোচনা কৰা।

(গ) “ৰোমাণ্টিক কবিতাত কল্পনা (Imagination) মুক্ত, আধুনিক কবিতাত ই শৃংখলিত।”— কথাষাৰ ব্যাখ্যা কৰা।

*Contd.*

(ঘ) সুচাৰু পৰিৱেশনৰ উদ্দেশ্যে সাম্প্ৰতিক নাটকত কেনেধৰণৰ সম্পৰীক্ষা বলাই থকা হৈছে, অৰ এটা আভাস দিয়া।

২। উত্তৰ দিয়া ঃ *(যি কোনো দুটা)* ২×৮=১৬

(ক) ৰাজকীয় পৃষ্ঠপোষকতাৰ নাটকতকৈ লোকনাট্যত লোক-জীৱনৰ উপস্থাপন কিদৰে বেছি বিশ্বাসযোগ্যভাৱে ঘটিছে, দেখুওৱা।

(খ) আধুনিক কবিতাক সততে কঠিন আখ্যা দিয়াৰ কাৰণসমূহ প্ৰদৰ্শন কৰা।

(গ) কবিতা, গল্প আৰু উপন্যাস— সাহিত্যৰ এই তিনিটা ভাগৰ কোনটো ভাগ তোমাৰ বেছি প্ৰিয়? কিয় প্ৰিয়, তাৰ কাৰণ দৰ্শোৱা।

(ঘ) পৰিৱৰ্তিত পৰিস্থিতিত সাহিত্যৰ ভাষা কেনে হোৱা উচিত, এই সন্দৰ্ভত এখন ৰচনা লিখা।

৩। চমুটোকা লিখা ঃ *(যি কোনো তিনিটা)* ৩×৪=১২

(ক) আধুনিক সাহিত্যত মহাযুদ্ধৰ প্ৰভাৱ

(খ) কবিতাত প্ৰতীকৰ প্ৰয়োগ



(গ) বাটৰ নাট

(ঘ) ঐতিহাসিক উপন্যাস

(ঙ) চুটিগল্পৰ বৈশিষ্ট্য

(চ) আবেদন পত্ৰ লিখাৰ *যিকোনো এটা* প্ৰামাণ্য আৰ্হি

(ছ) হাস্যৰসাত্মক এছ এম এছত (SMS) সৃষ্টিশীলতাৰ প্ৰকাশ।